# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-09-2026
**Time :** 2125 PM

# *Assamese Night Bulletin*

**------------------**

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে লোকভৱনত আজি সন্ধিয়া আয়োজিত বিশেষ সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অসমৰ সমৃদ্ধ পৰম্পৰাগত সংগীত-নৃত্যৰ লগতে তামিল গীত-নৃত্য প্ৰদৰ্শন তথা দেশৰ সাংস্কৃতিক বিবিধতাৰ চাণেকিৰে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই কাৰ্যসূচীৰ জৰিয়তে এক ভাৰত শ্ৰেষ্ঠ ভাৰত আৰু দেশৰ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ মনোভাৱ সুন্দৰকৈ প্ৰতিফলিত হয়। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ লগতে জ্যেষ্ঠ বিষয়া তথা বিশিষ্ট অতিথিসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি বিয়লি খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত অংশ লয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অনুপ বৰ্মনে উদ্বোধনী ভাষণ দিয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকীক আদৰণি সম্ভাষণ জনোৱা হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই অনুষ্ঠানত ডিগ্ৰী আৰু ডিপ্লোমা লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক শপত বাক্য পাঠ কৰোৱায়। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ অগ্ৰগতিক প্ৰশংসা কৰে। তেওঁ নিচামুক্ত অসম গঢ়াৰ বাবে সকলোকে শপতবাক্য পাঠ কৰোৱায়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক ডিগ্ৰী আৰু ডিপ্লোমাৰ প্ৰমাণপত্ৰ প্ৰদান কৰে।

ইয়াৰ আগেয়ে আজি দিনৰ ভাগত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে।

উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ পুৱা কামাখ্যা মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা প্ৰকল্পৰ আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ অভিৱৰ্তন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰিব। অসম ভ্ৰমণ সামৰি উপ-ৰাষ্ট্ৰপতিগৰাকী মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী পৰহিলৈ ইম্ফললৈ যাব। তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা তথা

সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰহিত তথা দৃষ্টিৰহিত শিক্ষাৰ্থীৰ বাবে থকা ডঞি প'লো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

০০০০০

সাংবাদিক ধনেশ্বৰ ৰাভাৰ ষষ্ঠ বাৰ্ষিক মৃত্যু তিথি আৰু সোঁৰৱণী বঁটা প্ৰদান অনুষ্ঠান আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। টংলাৰ মিলনপুৰত থকা চিলাৰায় ভৱনত এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংবাদিক, সমাজকৰ্মী তথা ক্ৰীড়া সংগঠকগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন, স্মৃতিচাৰণ সভা আৰু বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হয়। টংলা প্ৰেছ ক্লাৱে ২০২১ চনৰে পৰা সাংবাদিক ধনেশ্বৰ ৰাভাৰ স্মৃতি সজীৱ কৰি ৰখাৰ উদ্দেশ্যে স্মৃতিচাৰণ সভা আৰু সোঁৰৱণী বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰি আহিছে। ওদালগুৰিৰ জ্যেষ্ঠ সাংবাদিক তথা অৱসৰপ্ৰাপ্ত শিক্ষক গায়ত্ৰী ভট্ট ৰায় আৰু টংলা অঞ্চলৰ ক্ৰীড়া সংগঠক জনাথ চাংমাক টংলা প্ৰেছ ক্লাৱে ফুলাম গামোছা, কিতাপৰ টোপোলা, স্মাৰক আৰু প্ৰশস্তি পত্ৰ প্ৰদানেৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

০০০০০০

মৰিগাঁৱৰ লথাবড়িত থকা নেহৰু প্ৰাথমিক বিদ্যালয়ত পাঁচদিনীয়াকৈ অনুষ্ঠিত মুকাভিনয় আৰু নাট কৰ্মশালাৰ আজি সামৰণি পৰে। মৰিগাঁৱৰ মুকাভিনয় সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত মণিপুৰ কেংলেই মাইম থিয়েটাৰ ৰেপাৰটৰী আৰু ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত এই কৰ্মশালাৰ আয়োজন কৰা হয়। জিলাখনৰ অৰ্ধশতাধিক প্ৰশিক্ষাৰ্থীয়ে এই কৰ্মশালাত অংশগ্ৰহণ কৰে। ওস্তাদ বিছমিল্লা খাঁ যুৱ বঁটা প্ৰাপক মুকাভিনয় শিল্পী মুকুন্দ নাথৰ তত্বাৱধানত কৰ্মশালাত মুকাভিনয়ত লোকনৃত্য আৰু সত্ৰীয়া নৃত্য কিদৰে ব্যৱহাৰ কৰিব পাৰি সেই সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয়। আজিৰ সামৰণি অনুষ্ঠানত মৰিগাঁৱৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি আৰু সাংস্কৃতিক কৰ্মীয়ে অংশগ্ৰহণ কৰে।

০০০০০

নলবাৰী জিলাৰ চামতা আঞ্চলিক ক্ৰীড়া সংঘৰ খেলপথাৰত ৪৬ সংখ্যক নৰোত্তম বৰ্মন সোঁৰৱণী ফুটবল প্ৰতিযোগিতাৰ আজি চূড়ান্ত খেল অনুষ্ঠিত হৈছে। খেলখনৰ বিৰতিলৈকে নৰ্থ-ইষ্ট ইউনাইটেড এফ চি, অইল ইণ্ডিয়া এফ চি দলতকৈ ২-১ গ'লৰ ব্যৱধানত আগবাঢ়ি আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰই খেলখনৰ চলন্ত বিৱৰণী প্ৰচাৰ কৰিছে।

০০০০০

ক্ৰীড়াৰ জৰিয়তে শান্তি-সম্প্ৰীতি আৰু সমন্বয়ৰ বাৰ্তা প্ৰসাৰৰ লক্ষ্যৰে তামুলপুৰ জিলা বিপিএফৰ উদ্যোগত আজিৰে পৰা প্ৰীতি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। তামুলপুৰৰ বৰখাটা দুৰ্গামন্দিৰ খেলপথাৰত আয়োজিত উদ্বোধনী খেলত গয়বাৰী ব্লক বিপিএফ দল আৰু বটিয়ামাৰী প্ৰাথমিক সমিতিৰ মুখামুখি হয়। খেলখনত বটিয়ামাৰী প্ৰাথমিক সমিতিয়ে ৩-০ ফলাফলত গয়বাৰী ব্লক বিপিএফ দলক পৰাস্ত কৰে। বিপিএফৰ নেতা কমলেশ্বৰ বড়োৱে প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অঞ্চলটোৰ ১০খন প্ৰাথমিক সমিতিয়ে এই প্ৰতিযোগিতাত ভাগ লৈছে। প্ৰতিযোগিতাৰ চূড়ান্ত খেল অহা ২২ ছেপ্তেম্বৰত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত